## Assamese Department, Nonoi College.

**Freshman Social/2021**

### নৈনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ নৱাগত আদৰণী সভা

**৯ এপ্ৰিল, ২০২১**

নগাঁও জিলাৰ দক্ষিণ দিশত অৱস্থিত নৈনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ নৱাগত আদৰণী সভাখন অসমীয়া বিভাগৰ সাহিত্য চ'ৰাৰ উদ্যোগত ৯ এপ্ৰিল, ২০২১ তাৰিখে মহাবিদ্যালয় প্ৰাংগনত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় । পুৱা ১১.৩০ বজাৰ পৰা অনুষ্ঠিত সভাখনত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মাই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণী জনোৱাৰ লগতে তেওঁলোকক জীৱনমুখী সৎ চিন্তা আৰু আদৰ্শৰে আগবাঢ়ি যাবলৈ পৰামৰ্শ আগবঢ়ায় । তেওঁ কয় যে একাগ্ৰতা আৰু কৰ্তব্য নিষ্ঠাৰে হে জীৱনৰ উৎকৰ্ষ সাধন কৰিব পাৰি । সভাখনত নিৰ্দিষ্ট বক্তা ৰূপে উপস্থিত থাকি অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ৰাতুল শইকীয়াই বৃহত্তৰ নৈনৈ অঞ্চলৰ বৈচিত্ৰ পূৰ্ণ ঐতিহ্য আৰু সংহতিৰ পৰিচয় জ্ঞাপক সাৱুৱা বক্তব্য দাঙি ধৰি অসমীয়া বিভাগৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিক আদৰণী জনাই আৰু নৈনৈ মহাবিদ্যালয়ৰ অক্ষুণ্ণ গৌৰৱৰ ধাৰাবাহিকতা ৰক্ষাত ব্ৰতী হ'বলৈ সকলোকে আহ্বান জনায় । অনুষ্ঠানত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ আদৰণী পত্ৰ প্ৰদান কৰা হয় । মিনাক্ষী বৰাই ২০২০-২০২১ শিক্ষাবৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ বিভাগীয় নৱাগত সন্মান লাভ কৰে । অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰাই আঁত ধৰা সভাখন সঞ্চালনা কৰে অসমীয়া সাহিত্য চ'ৰাৰ সভাপতি তথা বিভাগীয় মুৰব্বী ৰুণু দেৱীয়ে । আদৰণী সভাৰ আৰম্ভণিতে বিভাগৰ ৫ম আৰু ৩য় ষাণ্মাসিকৰ ছাত্ৰীসকলে ড০ বসন্ত বৰা ৰচিত আৰু সুৰাৰোপিত 'হে নতুন স্বাগতম ' শীৰ্ষক গীত পৰিৱেশন কৰি সকলোকে সাদৰ সম্ভাষণ জনায় । নৈনৈ মহাবিদ্যালয়ৰ IQAC ৰ সমন্বয়ক জিতু কুমাৰ বৰা প্ৰমুখ্যে বনজ্যোতি গায়ন,দেৱযানী বৰা, কবিতা দেৱী কুশ্ৰে, সাগৰ চুবেদী ,ইৰফানুল ইছলাম, বিভা দেৱনাথ, মেৰী ৰাণী দেৱী,আব্দুচ চালাম, ফাৰুক খ্বিয়াৰ,কল্যাণ নাথ,জ্যোতিশিখা শৰ্মা, তৰালি দেৱী, ভণিতা শইকীয়া, নমিষা ভূঞা আৰু ভাগ্যশ্ৰী বৰা আদি সন্মানীয় অধ্যাপক-অধ্যাপিকাসকল ;গ্ৰন্থাগাৰিক ড০ হেমলতা দেৱী প্ৰমুখ্যে জোনমণি বৰুৱা, পুলিন নাথ, দিব্য মণি নাথ, অমৃত মুদৈ ,পংকজ ভট্টাচাৰ্য ; নৈনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়-বৰীয়াসকল আৰু বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিয়ে সৌষ্ঠৱ বৃদ্ধি কৰা সভাখনৰ সাংস্কৃতিক অনুষ্ঠানত নৃত্য প্ৰদৰ্শন কৰে মানস বৰা,নমিষা ভূঞা, অলকা বসুমতাৰী, প্ৰীতিৰেখা বসুমতাৰী আৰু ৰুলী শৰ্মাই ; গীত পৰিৱেশন কৰে ড০ বসন্ত বৰা, সামবেদী শইকীয়া, তেজালি বৰদলৈ, প্ৰিয়া হোকাই বৰদলৈ, শিল্পী শিখা দাস আৰু ইয়াচমিন চুলতানাই । নৈনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সাহিত্য চ'ৰাই এইদৰে সময়োপযোগী বিভিন্ন গঠনমূলক পদক্ষেপ গ্ৰহণ কৰাৰ লগতে পৰিৱেশ সংৰক্ষণৰ প্ৰতি লক্ষ্য ৰাখি ৮ এপ্ৰিল, ২০২১ তাৰিখে মহাবিদ্যালয়খনৰ চৌহদত "চাফাই অভিযান" কাৰ্যসূচী ৰূপায়ন কৰি প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয় ।

## Assamese Department, Nonoi College.
**Freshman Social/9th April,2021**

## Photographs:



Presented Welcome Song in the Programme



Meeting of Freshman Social